# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-02-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি এদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব।

২। বিভিন্ন গোলকীয় প্ৰত্যাহ্বান থকা স্বত্বেও ভাৰতৰ বাবে এই দশকটো অভূতপূৰ্ব বিকাশ তথা শক্তিশালী গণতন্ত্ৰ প্ৰতিষ্ঠাৰ দশক হিচাপে বিবেচিত হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

৩। ভাৰতে মুক্ত বাণিজ্য চুক্তিসমূহৰ জৰিয়তে কৃষক, দুগ্ধখণ্ড আৰু এম এছ এম ইৰ সৈতে জড়িত লোকসকলৰ স্বাৰ্থ সুৰক্ষিত কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেলে প্ৰকাশ কৰিছে।

৪। ভাৰতে অহা ১৬ৰ পৰা ২০ ফেব্ৰুৱাৰীলৈ আয়োজন কৰা India AI Impact শীৰ্ষ সন্মিলনত ২০ খন ৰাষ্ট্ৰৰ বিশ্বনেতাসকলে অংশগ্ৰহণ কৰিব।

*আৰু*

৫। টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত যোৱানিশা আমেৰিকাই নেডাৰলেণ্ডছক ৯৩ ৰানত পৰাজিত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি এদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। শ্ৰীমোদীয়ে প্ৰায় চাৰে ১০ বজাত ডিব্ৰুগড় জিলাৰ মৰাণত জৰুৰীকালীন উৰণ-অৱতৰণ কৰিব পৰাকৈ বিশেষভাৱে বিকশাই তোলা ঘাইপথত অৱতৰণ কৰিব। প্ৰায় ১০০ কোটি টকা ব্যয়সাপেক্ষে এই অত্যাধুনিক জৰুৰীকালীন অৱতৰণক্ষেত্ৰ নিৰ্মাণ কৰি উলিওৱা হৈছে। এই জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰখন বায়ুসেনাৰ কাৰণে কৌশলগত বিষয়ত বিশেষভাৱে গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। ৪ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘৰ উত্তৰ-পূবৰ এই প্ৰথমখন জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰৰ পৰা প্ৰধানমন্ত্ৰীয়ে যুদ্ধ বিমান, পৰিবহণ বিমান আৰু হেলিকপ্তাৰৰ এয়াৰ শ্ব' উপভোগ কৰিব। আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকিব।

মৰাণৰ অনুষ্ঠান সামৰি প্ৰধানমন্ত্ৰীগৰাকী গুৱাহাটীলৈ আহিব। শ্ৰীমোদীয়ে গুৱাহাটীত ৫ হাজাৰ ৪৫০ কোটি টকাৰো অধিক ধন ব্যয়সাপেক্ষ ভালেমান প্ৰকল্প উদ্বোধন কৰিব। তেওঁ ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী - উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বাৰ্মা সেঁতুখন মুকলি কৰিব। ৩ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে এই ১ দশমিক ২-৪ কিলোমিটাৰ দৈৰ্ঘৰ দলংখন নিৰ্মাণ কৰি উলিওৱা হৈছে। লাচিত ঘাটত আজি এই উপলক্ষে আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ডং শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালো উপস্থিত থাকিব। এই অনুষ্ঠানৰ পৰাই প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত থকা ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান-আই আই এমৰ

অস্থায়ী চৌহদ উদ্বোধন কৰিব আৰু কেন্দ্ৰীয় পুঁজিৰে ক্ৰয় কৰা ১০০ খনৰো অধিক বৈদ্যুতিক বাছ ৰাজ্য চৰকাৰক অৰ্পণ কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে আমিনগাঁৱত হাইপাৰ স্কেল তথ্য কেন্দ্ৰ মুকলি কৰিব। প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত বিজেপিৰ দলীয় কৰ্মীসকলৰ এখন বৈঠকতো অংশগ্ৰহণ কৰিব। শ্ৰীমোদীয়ে উদ্বোধন কৰিবলগীয়া এই উন্নয়নমূলক প্ৰকল্পসমূহ যোগাযোগ, ডিজিটেল আন্তঃগাঁথনি শক্তিশালী কৰাৰ উপৰি উচ্চ শিক্ষাৰ প্ৰসাৰ তথা ৰাজহুৱা যাতায়াত ব্যৱস্থাৰ উন্নয়নৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চল খণ্ডৰ বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হ'ব বুলি প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে প্ৰকাশ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিভিন্ন গোলকীয় প্ৰত্যাহ্বান থকা স্বত্বেও ভাৰতৰ বাবে এই দশকটো অভূতপূৰ্ব বিকাশ তথা শক্তিশালী গণতন্ত্ৰ প্ৰতিষ্ঠাৰ দশক হিচাপে বিবেচিত হৈছে বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি সন্ধিয়া ET NOW গোলকীয় ব্যৱসায় সন্মিলনত অংশ লৈ প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে বিশ্বই এই দশকত মহামাৰী, যুদ্ধ, আন্তঃৰাষ্ট্ৰীয় সমস্যা, যোগান শৃংখলা হ্ৰাস আদিকে ধৰি বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। ইয়াৰ পাছতো ভাৰতে বিকাশৰ ধাৰা অব্যাহত ৰখাৰ লগতে গণতন্ত্ৰক শক্তিশালী কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয়, যে একবিংশ শতিকাত ভাৰত সংস্কাৰৰ দিশত ধাৱমান হৈছে। বিগত দশকটো আৰম্ভ হোৱাৰ সময়ত ভাৰত বিশ্বৰ একাদশ বৃহৎ অৰ্থনীতি আছিল বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে বৰ্তমান দেশ বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতি হোৱাৰ দিশত দ্ৰুততাৰে অগ্ৰসৰ হৈছে। তেওঁ কয়, যে চৰকাৰে এইবাৰৰ বাজেটক কেৱল ব্যয়কেন্দ্ৰিকভাৱে নহয় বৰঞ্চ পৰিনাম কেন্দ্ৰিকভাৱে তৈয়াৰ কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে বাজেটৰ বাহিৰৰ গুৰুত্বপূৰ্ণ সংস্কাৰৰসমূহৰ বিষয়ে উল্লেখ কৰি কয়, যে পৰৱৰ্তী প্ৰজন্মৰ জি এছ্ টি, পৰিকল্পনা আয়োগৰ পৰিৱৰ্তে নীতি আয়োগ গঠন, ৩৭০ নম্বৰ অনুচ্ছেদ বাতিল, তিনি তালাকৰ বিৰুদ্ধে আইন আৰু নাৰী শক্তি বন্দন অধিনিয়মৰ দৰে পদক্ষেপসমূহে দেশক নতুন গতি প্ৰদান কৰিছে। তেওঁ যোৱা বছৰ বন্দৰ আৰু সামুদ্ৰিক খণ্ডত ৰূপায়ণ কৰা সংস্কাৰসমূহৰ বিষয়ে উল্লেখ কৰে। তেওঁ লগতে **জনবিশ্বাস আইন**ৰ অধীনত সংস্কাৰ সাধন, শক্তি নিৰাপত্তাৰ বাবে **শান্তি আইন** ৰূপায়ণ, শ্ৰম আইনৰ সংস্কাৰ, ভাৰতীয় ন্যায় সংহিতা ৰূপায়ণ, ৱক্‌ফ আইনত সংশোধন আৰু গ্ৰাম্য নিয়োগ নিশ্চিতকৰণৰ বাবে এখন নতুন বিকশিত ভাৰত জি ৰাম জি বিধেয়ক ৰূপায়ণৰ কথা উল্লেখ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে, সম্প্ৰতি নিৰন্তৰ পৰিৱৰ্তিত পৰিস্থিতিৰ সৈতে জীয়াই থাকিবলৈ বিশ্ব প্ৰস্তুত হৈ থাকিব লাগিব। কৃত্ৰিম বুদ্ধিমত্তাৰ ফলত ইতিমধ্যে যিবোৰ পৰিৱৰ্তন চকুত পৰিছে এই ক্ষেত্ৰত আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে অদূৰ ভৱিষ্যতে কৃত্ৰিম বুদ্ধিমত্তাই অধিক বৈপ্লৱিক পৰিৱৰ্তন আনিব আৰু ইয়াৰ বাবে ভাৰত সাজু হৈ আছে।

ooooo

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে কয়, যে ভাৰতৰ বাহিৰে কোনো দেশে এতিয়ালৈ অষ্ট্ৰেলিয়া, নিউজিলেণ্ড, ব্ৰিটেইন, ইউৰোপীয় সংঘ, চাৰিখন ৰাষ্ট্ৰক লৈ গঠন হোৱা ইউৰোপীয় মুক্ত বাণিজ্য সংস্থা আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে মুক্ত বাণিজ্য চুক্তিত স্বাক্ষৰ কৰা নাই। নতুন দিল্লীত কালি এটা অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতে মুক্ত বাণিজ্য চুক্তিসমূহৰ জৰিয়তে কৃষক, দুগ্ধখণ্ড আৰু অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগখণ্ডৰ সৈতে জড়িত লোকসকলৰ স্বাৰ্থ সুৰক্ষিত কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধীনত যুদ্ধকালীন ক্ষিপ্ৰতাৰে বিভিন্ন খণ্ডত সংস্কাৰ সাধন কৰা হৈছে বুলি উল্লেখ কৰি শ্ৰীগোৱেলে কয়, যে ৯ খন মুক্ত

বাণিজ্য চুক্তিৰ অধীনত ৩৮ খন দেশক সামৰি লোৱা হৈছে আৰু এই দেশসমূহে গোলকীয় অৰ্থনীতিৰ দুই তৃতীয়াংশ সামৰি লয়। তেওঁ লগতে ভাৰতৰ অবিহনে গোলকীয় মূল্য শৃংখলাত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰসাৰ কঠিন হ'ব বুলি উল্লেখ কৰে।

০০০০০

নিৰ্বাচন আয়োগে ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ পুনৰীক্ষণ প্ৰক্ৰিয়া চলি থকাৰ পৰিপ্ৰেক্ষিতত আয়োগ আৰু উচ্চতম ন্যায়ালয়ে বাধ্যতামূলক কৰি দিয়া প্ৰয়োজনীয় তথ্যসমূহ আপলোড কৰিবলৈ পশ্চিমবংগৰ সকলোবোৰ জিলা নিৰ্বাচনী বিষয়াক নিৰ্দেশ দিছে। আয়োগে স্পষ্ট কৰি দিছে যে, শুনানীৰ সময়ত জনসাধাৰণে দাখিল কৰা তথ্যসমূহ ১৬ ফেব্ৰুৱাৰী বিয়লি ৫ বজাৰ ভিতৰত ব্যক্তিগতভাৱে পুনৰীক্ষণ কৰিবলৈ জিলা নিৰ্বাচনী বিষয়াক নিৰ্দেশ দিছে।

মুখ্য নিৰ্বাচন আয়ুক্তই কালি ভাৰ্চুৱেল ব্যৱস্থাৰে পশ্চিমবংগৰ জিলা নিৰ্বাচনী বিষয়াসকলৰ সৈতে ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ পুনৰীক্ষণ প্ৰক্ৰিয়া সন্দৰ্ভত আলোচনাত মিলিত হয়।

০০০০০

ভাৰতে অহা ১৬ৰ পৰা ২০ ফেব্ৰুৱাৰীলৈ আয়োজন কৰা India AI Impact শীৰ্ষ সন্মিলনত ২০ খন ৰাষ্ট্ৰৰ বিশ্বনেতাসকল অংশগ্ৰহণ কৰিব। ইয়াৰ ভিতৰত ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ, ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুই ইনাছিঅ' লুলা দ্যা ছিলভা, স্পেইনৰ ৰাষ্ট্ৰপতি পেড্ৰ' ছেনছেজ, ছুইজাৰলেণ্ডৰ ৰাষ্ট্ৰপতি গাই পাৰ্মেলিন, নেডাৰলেণ্ডছৰ প্ৰধানমন্ত্ৰী ডিক স্কুফ, সংযুক্ত আৰব আমেৰি ৰাষ্ট্ৰৰ আবু ধাবিৰ যুৱৰাজ শ্বেইখ খালেদ বিন মহম্মদ বিন জায়েদ অল নাহিয়ান, মৰিছাছৰ প্ৰধানমন্ত্ৰী ডঃ নবীন চন্দ্ৰ ৰাম গোলাম, শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়কে, ছিছিলিৰ উপ ৰাষ্ট্ৰপতি ছেবাষ্টিয়ান পিল্লে আৰু ভূটানৰ প্ৰধানমন্ত্ৰী ছেৰিং টবগে' আছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা মতে, এই শীৰ্ষ সন্মিলনত বলিভিয়া, ক্ৰৱেছিয়া, এষ্টোনিয়া, ফিনলেণ্ড, গ্ৰীচ, গুয়ানা, কাজাখস্তান, লিষ্টেনষ্টেইন, চাৰ্ভিয়া আৰু শ্ল'ভাকিয়াৰ নেতাসকলেও অংশ ল'ব। তদুপৰি ৪৫ খনৰো অধিক দেশৰ মন্ত্ৰী পৰ্যায়ৰ প্ৰতিনিধিসকলে এই সন্মিলনত ভাগ ল'ব। সন্মিলনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সচিব আৰু ভালেকেইটা আন্তঃৰাষ্ট্ৰীয় সংগঠনৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকিব।

০০০০০

আয়ুষ মন্ত্ৰী প্ৰতাপ ৰাও যাদৱে আজি মুম্বাইত ইউনানী ঔষধৰ আঞ্চলিক গৱেষণা প্ৰতিষ্ঠানৰ নৱনিৰ্মিত এটা বিশেষ কেন্দ্ৰ মুকলি কৰিব। চলিত বৰ্ষৰ ইউনানী দিৱস উদযাপনৰ অংশহিচাপে এই ভৱনটো মুকলি কৰা হ'ব। এই কেন্দ্ৰটোৰ জৰিয়তে ইউনানী খণ্ডৰ সুবিধাসমূহ শক্তিশালী কৰাৰ প্ৰয়াস কৰা হৈছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০০

টি ২০ বিশ্ব কাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা চেন্নাইৰ M A চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ - এৰ এখন খেলত আমেৰিকাই নেদাৰলেণ্ডচক ৯৩ ৰাণত পৰাজিত কৰে। খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি আমেৰিকাই নিৰ্ধাৰিত ২০ অ'ভাৰত ৬টা উইকেটৰ বিনিময়ত ১৯৬ ৰাণ সংগ্ৰহ কৰে। চেইটেজা মুক্কামাল্লাই সৰ্বাধিক ৭৯ ৰাণ কৰে। প্ৰত্যুত্তৰত

নেদাৰলেণ্ডচে ১৬ অ'ভাৰতে আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ১০৩ ৰাণহে কৰিবলৈ সমৰ্থ হয়। আমেৰিকাৰ হৈ হৰমীত সিঙে ৪টা উইকেট দখল কৰে। তেওঁক প্লেয়াৰ অফ দা মেচ ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে কালি দিল্লীত অনুষ্ঠিত এখন খেলত সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰই কানাডাক ৫ উইকেটত আৰু কলম্বোত অনুষ্ঠিত আন এখন খেলত জিম্বাবোৱেই অষ্ট্ৰেলিয়াক ২৩ ৰাণত পৰাস্ত কৰে।

প্ৰতিযোগিতাত আজি দিনৰ ১১ বজাত আয়াৰলেণ্ড ওমানৰ বিৰুদ্ধে আৰু বিয়লি ৩ বজাত ইংলেণ্ড স্কটলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনহাতে সন্ধিয়া ৭ বজাত দক্ষিণ আফ্ৰিকাই নিউজিলেণ্ডৰ বিৰুদ্ধে খেলিব।

০০০০০

**সমাপ্ত**